জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৩/২০২১

## অষ্টম বাৰ্ষিক টি জি বৰুৱা মেমৰিয়েল মিডিয়া টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

### ক্ৰীড়াই সমাজত শান্তি আৰু ইতিবাচক পৰিৱেশৰ সূচনা কৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ জানুৱাৰী ঃ** মহানগৰীৰ জজ্ খেলপথাৰত আজি সামৰণি পৰা অষ্টম বাৰ্ষিত টি জি বৰুৱা মেমৰিয়েল মিডিয়া টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠানত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ক্ৰীড়াই সমাজত শান্তি আৰু ইতিবাচক পৰিৱেশৰ সূচনা কৰে। গতিকে এখন শান্তিপূৰ্ণ আৰু মূল্যবোধ সম্পন্ন সমাজ গঢ় দিয়াৰ বাবে ক্ৰীড়া সুলভ মানসিকতা গঢ় দিয়াৰ ওপৰত গুৰুত্ব দিয়টো জৰুৰী। বঁটা বিতৰণী অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱালে অসমীয়া প্ৰতিদিন দলক পৰাজিত কৰি প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰা প্ৰাগ নিউজ দলক চেম্পিয়নছ ট্ৰফি প্ৰদান কৰে।

কৰ্ম ব্যস্ততাৰ মাজতো সময় উলিয়াই গুৱাহাটীস্থ সাংবাদিকসকলে এই টি-২০ ক্ৰিকেট প্ৰতিযোগিতা আয়োজন কৰাৰ লগতে প্ৰতিযোগিতাখনত অংশ গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে সাংবাদিকসকলৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিযোগিতাই উঠি অহা প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি অধিক ধাউতিশীল কৰি তুলিব। মুখ্যমন্ত্ৰীয়ে লগতে এই ক্ৰিকেট প্ৰতিযোগিতা কেৱল গুৱাহাটীৰ মাজতে সীমাবদ্ধ নাৰাখি ৰাজ্যৰ সকলো প্ৰান্ততে আয়োজিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ আয়োজকসকলক আহ্বান জনায়। তেওঁ কয় যে ইয়াৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা অসমৰ সংবাদ জগতলৈ সেৱা আগবঢ়াই অহা সাংবাদিকসকলে নিজৰ ক্ৰীড়া নৈপুন্যতা প্ৰকাশৰ সুযোগ পোৱাৰ লগতে তেওঁলোকৰ মাজত ক্ৰীড়া সুলভ মানসিকতা অধিক প্ৰগাঢ় হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে অসম চৰকাৰে ৰাজ্যত ক্ৰীড়াৰ এক ইতিবাচক পৰিৱেশ গঢ় দিবলৈ বিগত চাৰে চাৰি বছৰে কাম কৰিছে। গাঁৱে-ভূঞে লুকাই থকা ক্ৰীড়া প্ৰতিভা সমূহে যাতে উপযুক্ত মঞ্চ লাভ কৰে তাৰ বাবে আন্তঃগাঁথনি গঢ় দিয়াৰ উপৰি বিভিন্ন পদক্ষেপ লৈছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে অসম অলিম্পিক সন্থাৰ জৰিয়তে ৰাজ্যৰ গ্ৰামাঞ্চলত ভিলেজ অলিম্পিক আয়োজনৰ বাবে চিন্তা-চৰ্চ্চা কৰিছে। মুখ্যমন্ত্ৰীয়ে যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়াৰ প্ৰতি অধিক অনুৰাগ বৃদ্ধি কৰাৰ বাবে তথা তেওঁলোকৰ মাজত ক্ৰীড়া সুলভ মানসিকতা গঢ় দিয়াৰ বাবে অভিভাৱক আৰু পিতৃ-মাতৃসকলক বিশেষ পদক্ষেপ ল'বলৈ আহ্বান জনায়।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীকে ধৰি বিশিষ্ট অতিথিসকলে ৰাণাৰ্ছ আপ ট্ৰফী অসমীয়া প্ৰতিদিন দলক, প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বলাৰ তথা চূড়ান্ত খেলৰ মেন-অৱ-দ্যা-মেটছ বঁটা সঞ্জীৱ বাচফৰক, প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটছমেনৰ বঁটা মৃগাঙ্ক শৰ্মা আৰু মেন অৱ দ্যা টুৰ্নামেন্ট বঁটা অমৃত দাসক প্ৰদান কৰে।

এই বঁটা বিতৰণী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, জ্যেষ্ঠ অধিবক্তা বিজন মহাজন, এন ডি ২৪ ৰ পৰিচালন সঞ্চালক কিশোৰ বৰা, জ্যেষ্ঠ ক্ৰীড়া সংবাদিক পৱিত্ৰ গগৈ, প্ৰাগ নিউজৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক সঞ্জীৱ নাৰায়ন, জ্যেষ্ঠ সাংবাদিক প্ৰণয় বৰদলৈ প্ৰমুখ্যে কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিক উপস্থিত থাকে।

**বীঃগঃ**
**১০/০১/২০২১**